**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাষ্ট্ৰপতিৰ অভিভাষণক দেশৰ ভৱিষ্যতৰ বাবে প্ৰেৰণাদায়ক বুলি অভিহিত কৰিছে।

২। লোকসভাত আজি বিৰোধী দলপতি ৰাহুল গান্ধীৰ এটা মন্তব্যক লৈ হুলস্থুলীয়া পৰিবেশ অব্যাহত থকাত কাইলৈ এঘাৰ বজা পৰ্যন্ত সদন স্থগিত ৰখা হয়।

৩। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা সফল হোৱাৰ পাছত আজি মাই ভাৰত বাজেট কুৱেষ্ট ২০২৬ মুকলি কৰে।

৪। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে অৰ্থনৈতিক সমীক্ষাই দেশৰ কৃষি আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত অপ্ৰতিৰুদ্ধ অগ্ৰগতি স্পষ্টকৈ সূচাইছে বুলি মন্তব্য কৰিছে। ***আৰু***

৫। নতুন দিল্লীৰ ডাঃ কৰ্ণী সিং শ্বুটিং ৰেঞ্জত আজিৰে পৰা এছিয়ান ৰাইফল এণ্ড পিষ্টল শ্বুটিং চেম্পিয়নশ্বিপ ২০২৬ আৰম্ভ হৈছে।

ooooo

লোকসভাত আজি ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। ইয়াৰ বাবে ১৮ ঘণ্টা সময় নিৰ্ধাৰণ কৰা হৈছে। লোকসভাত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাষ্ট্ৰপতিৰ অভিভাষণক উল্লেখযোগ্য বুলি অভিহিত কৰে। তেওঁ কয়, যে দেশৰ ভৱিষ্যতৰ বাবে ৰাষ্ট্ৰপতিৰ অভিভাষণ প্ৰেৰণাদায়ক। শ্ৰীসোণোৱালে কয় যে ৰাষ্ট্ৰপতিগৰাকীৰ এই ভাষণত সামাজিক ন্যায়, সামগ্ৰিক বিকাশ আৰু বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। তেওঁ কয় যে সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস কেৱল এটা চৰকাৰৰ শ্লোগান নহয়, এয়া হৈছে দেশৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ এটা নীতি। শ্ৰীসোণোৱালে কয়, যে ২০১৪ বৰ্ষৰ পূৰ্বে কংগ্ৰেছ চৰকাৰৰ শাসনকালত দেশৰ নীতিসমূহ স্থবিৰ হৈ আছিল আৰু দূৰ্নীতিগ্ৰস্ত চৰকাৰৰ বাবে আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত পলম হৈছিল। ২০১৪ চনত নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰ শাসনলৈ অহাৰ পাছত ভাৰতৰ দ্ৰুত বিকাশ আৰু সৰ্বাঙ্গীন উন্নয়নৰ বিষয়ে তেওঁ সবিশেষ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১৪ চনত বিশ্বৰ পঞ্চম অৰ্থব্যৱস্থাৰ দেশৰ পৰা বৰ্তমান ভাৰত বিশ্বৰ চতুৰ্থ অৰ্থব্যৱস্থাৰ দেশলৈ পৰিগণিত হৈছে। বিকশিত ভাৰতৰ লক্ষ্যৰ দিশত দেশ দৃঢ়তাৰে আগুৱাই গৈছে আৰু গোলকীয় অনিশ্চয়তা বিশেষকৈ মহামাৰী, সংঘাট আৰু যোগান শৃংখলা ব্যাহত হোৱাৰ মাজতো দ্ৰুত বিকাশশীল উল্লেখযোগ্য অথনীতি হিচাপে পৰিগণিত হৈছে। শ্ৰীসোণোৱালে কয় যে হিতাধিকাৰীসকলৰ একাউণ্টত প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে ৪৪ লাখ কোটি টকা হস্তান্তৰ কৰা হৈছে। চৰকাৰৰ জনকল্যানকামী আঁচনিসমূহ তথা প্ৰয়াসৰ বাবে ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। বিজেপিৰ সাংসদ তেজস্বী সূৰ্য্যাই কয় যে বিগত ১২ বছৰত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে মৰ্যাদা সহকাৰে জনসাধাৰণৰ সেৱা কৰাৰ লগতে চৰকাৰৰ বিৰুদ্ধে কোনো এটা দূৰ্নীতিৰ অভিযোগ উত্থাপন হোৱা নাই। তেওঁ কয় যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে দেশৰ যুৱ প্ৰজন্ম তথা জনসাধাৰণৰ আশা আকাংক্ষা পূৰণ কৰিছে আৰু দেশৰ যুৱ প্ৰজন্মক দেশৰ নেতৃত্ব লবৰ বাবে যোগ্য কৰি তুলিছে। তেওঁ কয় যে পূৰ্বৰ ইউ পি এ চৰকাৰৰ ১০ বছৰীয়া শাসনকালত দেশ আগুৱাই যোৱাৰ ক্ষেত্ৰত এটা ভাল সুবিধা হেৰুৱালে। ooooo

ooooo

লোকসভাত আজি ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাত সেনাবাহিনীৰ প্ৰাক্তন মুৰব্বী এম এম নাৰাৱণেৰ অপ্ৰকাশিত গ্ৰন্থখনৰ সন্দৰ্ভত বিৰোধী নেতা ৰাহুল গান্ধীৰ মন্তব্যক লৈ হুলস্থুলীয়া পৰিৱেশ অব্যাহত থকাত তৃতীয়বাৰৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখিবলগীয়া হয়। বিয়লি ৪ বজাত দ্বিতীয়বাৰ সদন মিলিত হোৱাৰ সময়ত ৰাহুল গান্ধীয়ে পুনৰ বিষয়টো উত্থাপন কৰাত শাসকীয় দলৰ সাংসদসকলে ইয়াৰ বিৰোধিতা কৰে। সেই সময়ত সদনৰ পৰিচালনাৰ দায়িত্বত থকা নেতাগৰাকীয়ে ৰাহুল গান্ধীক এই সন্দৰ্ভত অধ্যক্ষই সতৰ্ক কৰি দিয়া বিষয়টো উনুকিয়াই দিয়ে আৰু তেওঁক ধন্যবাদসূচক প্ৰস্তাৱৰ সন্দৰ্ভত মত প্ৰকাশ কৰিবলৈ আহ্বান জনায়। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱেও শ্ৰীগান্ধীক ধন্যবাদসূচক প্ৰস্তাৱৰ সন্দৰ্ভত মত প্ৰকাশ কৰিবলৈ আহ্বান জনায়। অধ্যক্ষগৰাকীয়ে বাৰে বাৰে সকিয়াই দিয়াৰ পাছতো ধাৰাবাহিকভাৱে ৰাহুল গান্ধীয়ে ইয়াৰ বিৰোধিতা কৰাত কাইলৈ এঘাৰ বজা পৰ্যন্ত সদন স্থগিত ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে শ্ৰীগান্ধীয়ে এই বিষয়টো উত্থাপন কৰাৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এনে ধৰণৰ কল্পনাপ্ৰসূত ভিত্তি নথকা কথা কৈ সদনক বিপথে পৰিচালিত কৰিছে বুলি অভিযোগ কৰে। নেতাগৰাকীৰ মন্তব্যৰ বিৰোধিতা কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে শ্ৰীগান্ধীয়ে সেনা বাহিনীক অপমান কৰা উচিত নহয় বুলি মন্তব্য কৰে। হুলস্থুলীয়া পৰিৱেশৰ মাজত বিয়লি ৪ বজালৈকে সদন স্থগিত ৰখা হয়। ৰাহুল গান্ধীয়ে দেশৰ সেনা বাহিনীৰ প্ৰাক্তন মুৰব্বী এম এম নাৰাৱণেৰ অপ্ৰকাশিত গ্ৰন্থখনৰ বিষয়ক লৈ ভাষণ আৰম্ভ কৰাৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তেওঁৰ বক্তব্যৰ বিৰোধিতা কৰি কয়, যে যিহেতু এই গ্ৰন্থখন প্ৰকাশ কৰা নাই সেয়েহে শ্ৰীগান্ধীয়ে এই বিষয়টোক লৈ মন্তব্য কৰা উচিত নহয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সতৰ্ক কৰি কয়, যে যিহেতু সদনৰ কাৰ্যক্ৰমণিকাৰ লগত জড়িত বিষয় নহয়, সেয়েহে এনেধৰণৰ কথা সদনত কোৱা উচিত নহয়। তেওঁ কয়, যে এই কথাটো ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ বিষয় নহয়। সেয়েহে ৰাহুল গান্ধীয়ে কেৱল ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ লগত জড়িত বিষয় সদনত উত্থাপন কৰা উচিত। হুলস্থুলীয়া পৰিৱেশ অব্যাহত থকাত বিয়লি ৩ বজালৈকে সদন স্থগিত ঘোষণা কৰা হয়। ০০০০

০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা সফল হোৱাৰ পাছত আজি মাই ভাৰত বাজেট কুইজ ২০২৬ মুকলি কৰে। যুৱ প্ৰজন্মৰ বাবে আৰম্ভ কৰা ৰাষ্ট্ৰজোৰা এই পদক্ষেপ কাইলৈৰ পৰা আৰম্ভ হ'ব। দেশৰ যুৱ প্ৰজন্মৰ মাজত কেন্দ্ৰীয় বাজেটৰ সন্দৰ্ভত সজাগতা বৃদ্ধি কৰাৰ লক্ষ্য তথা ইয়াৰ বিভিন্ন সা-সুবিধাসমূহ সন্দৰ্ভত অৱগত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। দেশৰ মহাবিদ্যালয় বিভিন্ন শিক্ষা প্ৰতিষ্ঠান আদিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জনসাধাৰণৰ দৈনন্দিন জীৱনৰ সৈতে কেন্দ্ৰীয় বাজেটে সংযোগ সাধন কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। চৰকাৰে যুৱ প্ৰজন্মৰ সৱলিকৰণ কৰাৰ বাবে মাই ভাৰত বাজেট কুইজ ২০২৬ গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। ডং মন্দাভিয়াই কয়, যে চলিত মাহৰ ১৭ তাৰিখলৈকে মাই ভাৰত পোৰ্টেলৰ যোগেদি নাম পঞ্জীয়ন কৰা যুৱ প্ৰজন্মৰ মাজত প্ৰথম পৰ্যায়ৰ প্ৰতিযোগিতা মুকলি থাকিব। ইয়াৰ পাছত প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়োৱা যুৱসকলক নিৰ্বাচিত কৰি ১৭ ফেব্ৰুৱাৰীৰ পৰা ৩ মাৰ্চলৈকে হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ৰচনা লিখা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পাৰিব। বিকশিত ভাৰতৰ লক্ষ্যৰে কেন্দ্ৰীয় বাজেটত অন্তৰ্ভুক্ত ৮ টা বিষয় ৰচনা প্ৰতিযোগিতাৰ বাবে নিৰ্ধাৰণ কৰা হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ ১০ মাৰ্চত মেধাসকলৰ তালিকা প্ৰকাশ কৰিব আৰু তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বাৰ্তালাপত মিলিত হোৱাৰ সুযোগ লাভ কৰিব। ০০০০০

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে অৰ্থনৈতিক সমীক্ষাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এই সমীক্ষাই দেশৰ কৃষি আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত অপ্ৰতিৰুদ্ধ অগ্ৰগতি স্পষ্টকৈ সূচাইছে। নতুন দিল্লীত এখন সংবাদ মেলত শ্ৰীচৌহানে কয় যে বিগত ৫ বছৰত কৃষি আৰু ইয়াৰ লগত জড়িত খণ্ডসমূহৰ অভিলেখ পৰিমানৰ বাৰ্ষিক বিকাশৰ হাৰ প্ৰায় ৪ দশমিক ৪ শতাংশ অব্যাহত আছে। এই হাৰ হৈছে বিশ্বৰ প্ৰেক্ষাপটত সৰ্বাধিক। মন্ত্ৰীগৰাকীয়ে কয় যে

২০২৪-২৫ বিত্তীয় বৰ্ষত দেশত খাদ্য সামগ্ৰীৰ উৎপাদন অভিলেখ পৰিমাণত ৩৫৭ দশমিক ৩-৭ মিলিয়ন টনত উপনীত হৈছে। তেওঁ ধান, ঘেহু, মাকৈ, শ্ৰীঅন্নকে ধৰি মাহজাতীয় শস্যৰ উৎপাদন বৃদ্ধি পাইছে। শ্ৰীচৌহানে কয়, যে খাদ্য সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত ভাৰত কেৱল স্বনিৰ্ভৰশীলেই নহয় আন ভালেমান শস্য উৎপাদনৰ ক্ষেত্ৰত গোলকীয় পৰ্যায়ত নেতৃত্ব বহন কৰিছে। তেওঁ কয় যে বিগত এঘাৰ বছৰত উদ্যান শস্যৰ উৎপাদন ২৮০ দশমিক ৭-০ মিলিয়ন টনৰ পৰা ৩৬৭ দশমিক ৭-২ মিলিয়ন টনলৈ বৃদ্ধি হৈছে।

০০০০০

ইৰাণে ইছলামিক গণৰাজ্যত থকা ইউৰোপীয় ইউনিয়নৰ সকলো ৰাষ্ট্ৰদূতক চমন জাৰি কৰি অৰ্ধসামৰিক ৰিভল্যুচনেৰী গাৰ্ডক সন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণা কৰাৰ সিদ্ধান্তৰ প্ৰতিবাদ কৰিছে। ইৰাণৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ইছমাইল বাঘাইয়ে সাংবাদিকসকলৰ আগত কয় যে কালিৰ পৰা চমন প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু আজিলৈকে চলি আছে। ইফালে কালি ইৰাণৰ সংসদৰ অধ্যক্ষই ২০১৯ চনৰ এখন আইনৰ উদ্ধৃতি দি ইউৰোপীয় সংঘৰ সকলো সামৰিক বাহিনীক এতিয়া ইছলামিক গণৰাজ্যই সন্ত্ৰাসবাদী গোট বুলি গণ্য কৰে বুলি কয়। যোৱা মাহত ইৰাণত চলা দেশজোৰা প্ৰতিবাদৰ ওপৰত হিংসাত্মক দমন চলোৱাৰ ক্ষেত্ৰত ইউৰোপীয় সংঘই ৰিভল্যুচনেৰী গাৰ্ডক সন্ত্ৰাসবাদী গোট হিচাপে তালিকাভুক্ত কৰাৰ সিদ্ধান্ত লোৱাৰ পাছতে ইৰানে এই পদক্ষেপে লৈছে। উল্লেখযোগ্য যে ইৰাণত হিংসাত্মক প্ৰতিবাদৰ সময়ত হাজাৰ হাজাৰ লোকৰ মৃত্যু হৈছিল আৰু লাখ লাখ লোকক আটক কৰা হৈছিল।

0000

দেশত ৭ লাখৰো অধিক ছাত্ৰীক কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত নামভৰ্তি কৰোৱা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। লোকসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই বিষয়ে প্ৰকাশ কৰি কয়, যে নামভৰ্তি কৰোৱা ছাত্ৰীসকলৰ ভিতৰত ২ লাখৰো অধিক ছাত্ৰী অনুসূচীত জাতিৰ আৰু ১ লাখ ৭৭ হাজাৰ ছাত্ৰী অনুসূচিত জনজাতিৰ অন্তৰ্ভুক্ত। একেদৰে অন্যান্য পিছপৰা শ্ৰেণীৰ ২ লাখ ৬৪ হাজাৰ ছাত্ৰী আছে। উল্লেখযোগ্য যে, ২০০৪ চনৰ জুলাইত শুভাৰম্ভ কৰা কস্তুৰবা গান্ধী বালিকা বিদ্যালয় আঁচনিৰ জৰিয়তে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে প্ৰাথমিক পৰ্যায়ত আৱাসিক বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ দ্বাৰা উপযুক্ত সা-সুবিধাৰ পৰা বঞ্চিত পৰিয়ালৰ ছোৱালীসকলক নিশ্চিতভাৱে মান সম্পন্ন শিক্ষা প্ৰদানৰ লক্ষ্য লোৱা হৈছিল। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে বিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ অনুপাত পূৰ্বতকৈ বৃদ্ধি পাইছে আৰু এয়া শুভলক্ষণ। কেন্দ্ৰীয় চৰকাৰ কন্যা শিশুৰ সৱলীকৰণৰ বাবে তেওঁলোকক উপযুক্ত শিক্ষা প্ৰদানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলিও মন্ত্ৰীগৰাকীয়ে কয়। শ্ৰীপ্ৰধানে কয়, যে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত দেশৰ প্ৰতিখন জিলাতে ছাত্ৰী নিৱাস স্থাপনৰ বাবে প্ৰস্তাৱ দিয়া হৈছে।

00000

নতুন দিল্লীৰ ডাঃ কৰ্ণী সিং শ্যুটিং ৰেঞ্জত আজিৰ পৰা আৰম্ভ হৈছে এছিয়ান ৰাইফল এণ্ড পিষ্টল শ্যুটিং চেম্পিয়নশ্বিপ ২০২৬। এই অনুষ্ঠানত সমগ্ৰ এছিয়াৰ অভিজাত খেলুৱৈসকলক একত্ৰিত কৰি দুসপ্তাহৰ বাবে ৰোমাঞ্চকৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগীসকলে ১০ মিটাৰ, ২৫ মিটাৰ, আৰু ৫০ মিটাৰ ৰাইফল আৰু পিষ্টল ইভেণ্টত পুৰুষ, মহিলা, জুনিয়ৰ, আৰু যুৱ শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰতিযোগিতাসমূহত ব্যক্তিগত, দলীয়, আৰু মিশ্ৰিত দলীয় ফৰ্মেট অনুষ্ঠিত হ'ব। চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিছে সোতৰখন দেশে।

ঃঃ সমাপ্ত ঃঃ